# গুৱাহাটী বিশ্ববিদ্যালয় দূৰ আৰু অন্‌লাইন শিক্ষা কেন্দ্ৰ
## গৃহপঞ্জী
## দ্বিতীয় ষান্মাসিক
## অসমীয়া স্নাতকোত্তৰ, শৈক্ষিক বৰ্ষঃ ২০২৩-২৪ (জানুৱাৰী)

**নিৰ্দেশাৱলীঃ—**

(১) কেৱল ২০২৩-২৪ (জানুৱাৰী) শৈক্ষিক বৰ্ষৰ বাবে নামভৰ্তি কৰা শিক্ষাৰ্থীসকলে গৃহপঞ্জী লিখিব।
(২) শিক্ষাৰ্থীসকলে নিজৰ ৰোল নং, জি. ইউ. পঞ্জীয়ন নম্বৰ, বিষয়, ষান্মাসিক, পাঠ্যবিষয়ৰ শিৰোনাম, কাকত নং আৰু অধ্যয়ন কেন্দ্ৰৰ নাম উত্তৰ বহীৰ প্ৰথম পৃষ্ঠাত স্পষ্টকৈ উল্লেখ কৰিব লাগিব।
(৩) গৃহপঞ্জীৰ ফৰ্মেটটো GUCDOE ৱেবছাইটত উপলব্ধ। শিক্ষাৰ্থীসকলে সেই ফৰ্মেটটো ডাউনলোড কৰি তাতেই উত্তৰ প্ৰস্তুত কৰিব লাগিব।
(৪) প্ৰতিখন কাকতৰ বাবে দুটা বাধ্যতামূলক প্ৰশ্ন থাকিব। দুয়োটা প্ৰশ্নৰ বাবে এটাকৈ বিকল্প থাকিব। প্ৰতিটো প্ৰশ্নোত্তৰৰ বাবে মূল্যাংক থাকিব ১০। (মুঠ নম্বৰঃ ২ টা প্ৰশ্ন × ১০ নম্বৰ = ২০ নম্বৰ)
(৫) টাইপিং অথবা কম্পিউটাৰাইজ্ উত্তৰ বহী গ্ৰহণ কৰা নহ'ব। শিক্ষাৰ্থীসকলে নিজ হাতে লিখা উত্তৰ বহী জমা দিব লাগিব।
(৬) ১০ নম্বৰৰ বাবে প্ৰতিটো প্ৰশ্নোত্তৰ ৪০০ শব্দৰ ভিতৰত হ'ব লাগিব।
(৭) উত্তৰ লিখনত অন্য উৎসৰ পৰা আংশিক বা সম্পূৰ্ণভাৱে হুবহু প্ৰশ্নোত্তৰ লিখাটো অনৈতিক কাৰ্য হিচাপে গণ্য কৰা হ'ব।
(৮) GUCDOE-ৰ অধীনত বিভিন্ন Study Centre-ৰ শিক্ষাৰ্থীসকলে নিজ নিজ অধ্যয়ন কেন্দ্ৰত গৃহপঞ্জী জমা দিয়াটো বাধ্যতামূলক।
(৯) GUCDOE কেন্দ্ৰৰ শিক্ষাৰ্থীসকলে GUCDOE কাৰ্যালয়ত নিজৰ গৃহপঞ্জী জমা দিব।
(১০) **গৃহপঞ্জীৰ জমা দিয়াৰ অন্তিম তাৰিখ ২০ ফেব্ৰুৱাৰী, ২০২৫।**

---

## পাঠ্যবিষয় ঃ ASM-2016 (অসমীয়া কবিতা (১৮৮৯-২০১৫))

**১ নং প্ৰশ্নঃ** ৰোমান্টিক যুগৰ অসমীয়া কবিতাৰ পটভূমি সম্পৰ্কে এটি আলোচনা প্ৰস্তুত কৰক। ১০

**২ নং প্ৰশ্নঃ** অসমীয়া ভাষা-সাহিত্যলৈ অৰুণোদয় যুগৰ মিছনেৰীসকলৰ অৱদান সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক। ১০

## পাঠ্যবিষয় ঃ ASM-2026 (অসমীয়া গদ্য (১৮৪৬-২০১৫))

**তলৰ যিকোনো দুটা বিষয়ত গৃহকৰ্ম প্ৰস্তুত কৰক।** ২×১০=২০

**১ নং প্ৰশ্নঃ** (ক) আনন্দৰাম ঢেকিয়াল ফুকনে 'অসম দেশৰ সংকল্প কথা'ত কোনবোৰ দিশত গুৰুত্ব আৰোপ কৰিছে? ১০

*অথবা*

(খ) বেজবৰুৱাৰ 'মোৰ জীৱন সোঁৱৰণ'ত তেওঁৰ অতীতৰ স্মৃতিৰ কথা কেনেদৰে বৰ্ণনা কৰিছে লিখক। ১০

**২ নং প্ৰশ্নঃ** (ক) 'সৌন্দৰ্যৰ প্ৰতাৰণা' পাঠত কাকতিৰ মনস্তাত্ত্বিক চিন্তাৰ প্ৰকাশ কেনেদৰে ঘটিছে, বৰ্ণনা কৰক। ১০

*অথবা*

(খ) হীৰেণ গোহাঁইৰ দৃষ্টিত ঔপন্যাসিক হিচাপে বীণা বৰুৱাৰ প্ৰতিভা বিশ্লেষণ কৰক। ১০

## পাঠ্যবিষয় ঃ ASM-2036 (অসমীয়া নাটক আৰু পৰিবেশন কলা (১৮৫৭-২০১৫))

**তলৰ যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখিব—** ২×১০=২০

(ক) অসমীয়া অনাতাঁৰ নাটকৰ ইতিহাস চমুৱাই লিখা আৰু এই নাটকৰ বিশেষ অৱদানসমূহ প্ৰদৰ্শন কৰক। ১০

(খ) পদ্মনাথ গোহাঞি বৰুৱাৰ 'গাওঁবুঢ়া' আৰু লক্ষ্মীনাথ বেজবৰুৱাৰ 'চক্ৰধ্বজ সিংহ' নাটকত শ্বেইক্‌ছপীয়েৰীয় নাট্যৰীতিৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰক। ১০

(গ) মহেন্দ্ৰ বৰঠাকুৰৰ 'শৰাগুৰি চাপৰি' আৰু কৰুণা ডেকাৰ 'লুইতকন্যা' নাটকৰ পৰিৱেশনৰ (বা সম্ভাব্য পৰিৱেশনৰ) বিশিষ্টতা তুলনা কৰি দেখুৱাওক। ১০

(ঘ) অসমত প্ৰছেনিয়াম আৰু প্ৰছেনিয়াম-বিৰোধী ৰংগশালাৰ উদ্ভৱ আৰু বিকাশৰ পৰ্যায়সমূহ চিহ্নিত কৰক। ১০

## পাঠ্যবিষয় ঃ ASM-2046 (ভাৰতীয় সাহিত্য সমালোচনা)

**১ নং প্ৰশ্নঃ** (ক) 'শব্দশক্তি' বুলিলে কি বুজা যায়? বাক্য গঠনত এই শব্দৰ শক্তি সমূহৰ ভূমিকা সম্পৰ্কে এটি আলোচনা আগবঢ়াওক। ১০

*অথবা*

(খ) প্ৰাচ্য সাহিত্য সম্প্ৰদায় হিচাপে 'ধ্বনিবাদ'ৰ সিদ্ধান্ত সমূহৰ ওপৰত এটি প্ৰবন্ধ যুগুত কৰক। ১০

**২ নং প্ৰশ্নঃ** (ক) কাব্যত 'ৰস'ৰ প্ৰয়োজনীয়তা সম্পৰ্কে ৰসবাদীসকলৰ সিদ্ধান্তসমূহ উপস্থাপন কৰক। ১০

*অথবা*

(খ) 'দেশীবাদ'ৰ ধাৰণা আৰু উৎস সম্বন্ধে এটি নাতিদীৰ্ঘ প্ৰৱন্ধ প্ৰস্তুত কৰক ১০

—×—

গুৱাহাটী বিশ্ববিদ্যালয়

# Gauhati University

দূৰ আৰু অন্‌লাইন শিক্ষা কেন্দ্ৰ

# Centre for Distance and Online Education

## ASNWERSCRIPT FOR HOME ASSIGNMENT

**Roll Number (8 digit):** ........................................................................
*(GUCDOE Enrollment No)*

**G.U. Registration No.:** ........................................................................

**Programme Name:** ........................................................................

**Semester:** ........................................................................

**Paper Title:** ........................................................................

**Paper Code:** ........................................................................

**Name of the Study Centre:**........................................................................

**N.B.: Please note that the Name of the Candidate should not be mentioned anywhere. If found, the asnwer script will not be evaluated.)**